সাধুকথাৰ বিষয়ে

সাধুকথাই সকলোৰে মন আকৰ্ষিত কৰে; সাধুকথা সকলোৱে উপভোগ কৰে আৰু কেতিয়াবা সাধুকথা শুনোঁতে আনকি ভোক, পিয়াহ টোপনি সকলো পাহৰি যোৱা হয়; সাধু কৈ বা শুনি প্ৰায় সকলোৱেই নিশ্চয় ভাল পায়; নহয়নে !

আমি সকলোৱে কিমান যে সাধুকথা শুনিছোঁ বা কৈছোঁ তাৰ চাগে সীমা নাই! সাধুকথা আকৌ বহুধৰণৰ- গছ-গছনিৰ, পশু-পক্ষীৰ, ৰজা-ৰাণীৰ, বীৰসকলৰ, যুঁজাৰুসকলৰ, পৌৰাণিক সময়ৰ, ককা-আইতাহঁতৰ, ৰং-ৰহইচৰ, যাদুৰ; কিছুমান আকৌ খুব চিন্তাত পেলাই দিয়া ধৰণৰ! এই সাধুকথাবোৰ বাৰু ক'ৰ পৰা আহিল- কেতিয়াবা ভাবি চাইছানে? আহাঁচোন- সাধুকথাৰ বিষয়েই আফ্ৰিকাৰ দুটিমান সাধুকথা শুনোঁ !

এখন গাঁৱত এজন মানুহ আছিল । এদিন তেঁওৰ সখীয়েকে তেওঁক ৰহস্যজনক গোপন কথা এটা ক'লে । মানুহজনে কিছুদিনলৈ এই ৰহস্যক সকলোৰে পৰা গোপনে ৰাখিলে । সেইবাবে লাহে লাহে তেওঁৰ পেটটো ফুলিবলৈ ধৰিলে । যেতিয়া তেওঁ সহিব নোৱাৰা হ'ল– নিজৰ ঘৈণীয়েকক সেই ৰহস্যজনক গোপন কথাটো কৈ দিলে । তেতিয়া কি হ'ল জানানে– লাহে লাহে তেওঁৰ পেটটো জামৰি আহিল আৰু তেওঁৰ ঘৈণীয়েকৰ পেটটো ফুলিবলৈ ধৰিলে । ৰহস্যজনক গোপন কথাটো এইবাৰ ঘৈণীয়েকেও গোপনে ৰাখিব নোৱাৰি নিজৰ বাগিছাত থকা এটা গাঁতত কৈ দি মাটি ঢালি সেইটো পুতি থৈ আহিল; ফলত তেওঁৰ পেটৰ ফুলাটো জামৰি আহিল ।

সেই গাঁতৰ মাটিখিনিতে এজোপা বাঁহগছ গজিল । এদিন কোনোবা এজনে সেই বাঁহৰে এটা বাঁহী বনালে আৰু আচৰিত ধৰণে সেই বাঁহীৰ সুৰে সেই ৰহস্যজনক গোপন কথাটো গোটেই গাঁওখনতে বিয়পাই দিলে ।



এতিয়া আফ্ৰিকাৰ আন এটা সাধুকথা -

বহুদিনৰ আগতে এখন ৰাজ্যত এটা বটানিগনি আছিল । এই বটানিগনিটো য'তে ত'তে ঘূৰি ফুৰিছিল; পঁজাঘৰৰ পৰা ৰাজপ্ৰাসাদকে ধৰি প্ৰতিটো ঘৰতে সি সোমাইছিল ।

ঘৰবোৰলৈ গৈ বেৰবিলাকত সৰু সৰু ফুটা কৰি তাতে সোমাই থাকে আৰু ঘৰবিলাকত মানুহবিলাকে কোৱা সাধুকথাবোৰ শুনি থাকে । এই সাধুকথাবোৰ বটানিগনিটোৰ খুব মৰমৰ আছিল আৰু এজোপা গছৰ তলত সৰু সৰু গাঁত খান্দি তাতে কৈ কৈ মৰমৰ সাধুকথাবোৰ পুতি থৈছিল ।

বটানিগনিটোৰ এই কামবোৰ আকৌ এটা শিয়ালে মনে মনে চাই থাকিছিল । এদিন সেই শিয়ালটোৱে সেই গাঁতবোৰ খান্দিবলৈ ধৰিলে; ফলত সাধুকথাবোৰ তাৰপৰা ওলাই যেনিতেনি দৌৰিবলৈ ধৰিলে । সেইদিনাৰে পৰা আজিলৈকে সাধুকথাবোৰ পৃথিৱীৰ চুকে-কোণে দৌৰাদৌৰি কৰি আছে ।



এই সাধুকথাবোৰেই আকৌ তোমাৰ মোৰ ওচৰলৈও আহিল; আমিও সেইবোৰকে ন ন ৰহন সানি ইজনে সিজনক কওঁ আৰু সাধুকথাৰ আনন্দ লওঁ !

এনেকৈয়ে সাধুকথাবোৰ গোটেইখনতে বিয়পি পৰিল।

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist Uma Krishnaswamy

হাতী আৰু কুকুৰৰ বন্ধুত্ব

কাশী নামৰ ৰাজ্যখনত যি সময়ত ৰজা ব্ৰহ্মদত্তই ৰাজত্ব কৰিছিল– সেই সময়ৰ কথা; তেখেতৰ এটা হাতী আছিল; এজন মাউতে হতীটোৰ যত্ন লৈছিল ।

মাউতজনে প্ৰতিদিনেই ৰাতিপুৱা হাতীটোক গা ধুৱায়; তাৰ পিছত হাতীটোক খাবলৈ দিয়ে; এইথিনি সময়তে মাউতজনৰ কুকুৰটোও তাত উপস্থিত হয়গৈ; হাতীৰ লগতে কুকুৰটোৱেও খোৱাবোৱা কৰে; তেনেকৈয়ে লাহে লাহে হাতী আৰু কুকুৰটোৰ মাজত ভাল বন্ধুত্বই গঢ় লয় ।



হাতীটোৱে সদায় কুকুৰটো অহালৈ বাট চাই থাকে; কুকুৰটো নহালৈকে হাতীটোৱে একো নাখায়; দুয়ো লগ লাগি থাই বৈ লৈ খুব খেলাধুলা কৰে; হাতীটোৰ শুঁড়ডালত ওলমি কুকুৰটোৱে ঝুলনাও খেলে ।



এবাৰ মাউতজনৰ টকাৰ দৰকাৰ হ'ল; সেয়ে কুকুৰটো বেচি দিলে; কুকুৰটোৱে মনত বৰ দুখ পালে যদিও উপায়হীন হৈ নতুন গৰাকীৰ লগত গুচি গ'ল ।

নিজৰ বন্ধুক নেদেখি হাতীৰ মনটো জঁয় পৰি গ'ল; সি মনটো মাৰি কেৱল বহি থাকে; গা ধুবলৈ নোযোৱা হ'ল; আনকি খোৱাবোৱাও বন্ধ কৰি দিলে !

হাতীটোৱে খোৱাবোৱা বন্ধ কৰি দিয়াৰ কথা ৰজাৰ কাণত পৰিলগৈ; লগে লগে মন্ত্ৰীক আদেশ দিলে হাতীটোৰ খবৰ ল'বলৈ ।

হাতীৰ ওচৰত উপস্থিত হৈ মন্ত্ৰীয়ে সকলো কথাৰ বুজ লৈ হাতীটোৰ স্বাস্থ্য পৰীক্ষা কৰোৱাই গম পালে যে- হাতীটোৰ স্বাস্থ্যৰ নহয় মনৰহে অসুখ; মন্ত্ৰীয়ে মনে মনে ভাবিলে- "ইয়াৰ মনত নিশ্চয় কিবা চিন্তা সোমাইছে !"

মন্ত্ৰীয়ে ওচৰ পাজৰৰ মানুহৰ সৈতে এই বিষয়ে আলোচনা কৰি গম পালে যে- কুকুৰটোক নেদেখাৰ পৰায়েই হাতীটোৰ মনটো বেয়া; যেতিয়াৰ পৰা কুকুৰটো নাই তেতিয়াৰ পৰা হাতীটোৱে খোৱাবোৱা কৰা নাই ।

মন্ত্ৰীয়ে ৰজা ব্ৰহ্মদত্তক সকলো বিবৰি ক'লেগৈ; লগে লগেই ৰজাই ঢোল বজোৱাই সকলোতে জাননী দিয়ালে যে- "মাউতজনৰ কুকুৰটো যাৰেই ওচৰত নাথাকক কিয়, এই আদেশ শুনাৰ লগে লগেই তাক মুকলি কৰি দিয়ক; নহ'লে- ৰাজশাস্তিৰ বাবে সাজু থাকিব লাগিব ।"

যিজন মানুহে কুকুৰটো কিনিছিল তেৱোঁ ঘোষণাটো শুনিলে; লগে লগে তেওঁ কুকুৰটো মুকলি কৰি দিলে; মুকলি হৈয়েই কুকুৰটোৱে জঁপিয়াই-দৌৰি হাতীটোৰ ওচৰ পালেগৈ ।

দুয়ো বন্ধুৱে ইজনে সিজনক লগ পাই খুব আনন্দ পালে; হাতীয়ে শুঁড়েৰে কুকুৰটোক দাঙি নি নিজৰ গলধনত বহুৱাই ল'লে; আনন্দতে তাৰ চকুলো বৈ আহিল ।

মাউতজনে দৌৰাদৌৰিকৈ হাতীৰ বাবে খাদ্য আনি দিলে; হাতীটোৱে প্ৰথমতে কুকুৰটোক খাবলৈ দিলে; তাৰ পিছতহে নিজেও খোৱাবোৱা কৰিলে ।

জাতক-কথা

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation

Assamese Rosananda Gogoi

Artist Uma Krishnaswamy

ন নে দহ



এসময়ত এজন সাউদ আছিল; এবাৰ তেওঁ নিজৰ দহটা উট লগত লৈ মৰুভূমিৰ মাজেদি গৈ আছিল; এটা উটৰ পিঠিত তেওঁ বহি গৈছিল আৰু বাকী নটা উট পিছে পিছে গৈ আছিল ।

এনেদৰে গৈ থাকোঁতে সাউদৰ মনলৈ ভাব আহিল যে- "মোৰ আটাইকেইটা উটেই বাৰু লগত আহি আছে নে !" লগে লগে তেওঁ পিছলৈ চাই উটকেইটা গণিবলৈ ধৰিলে- "এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন ...; হা!"



"টা উট কম আছে যে !" লগে লগে তেওঁ উটৰ পৰা নামিল আৰু ইফালে সিফালে হেৰোৱা উটটো বিচাৰিবলৈ ধৰিলে ।



ইমানকৈ বিচৰাৰ পিছতো হেৰোৱা উটটো বিচাৰি নাপাই ভাবিলে- "কিজানি গণোঁতেই ভুল হৈছে !"; সেয়ে পুনৰ গণিলে- "এক, দুই, তিনি, চাৰি, পাঁচ ...; হা !



আটাইকেইটা আছেদেখোন !"; আনন্দ মনেৰে উটৰ পিঠিত উঠি পুনৰ যাত্ৰা আৰম্ভ কৰিলে; অলপ সময় যাত্ৰা কৰি পুনৰ সন্দেহবশতঃ পিছলৈ চাই উটকেইটা গণিলে; "এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন ..."; এইবাৰ আকৌ নটা উট হে পালে ।

সাউদে ততাতৈয়াকৈ উটৰ পৰা নামি ইফালে সিফালে গৈ হেৰোৱা উটটো বিচাৰিবলৈ ধৰিলে । কিন্তু ইমানকৈ বিচৰাৰ পিছতো হেৰোৱা উটটো বিচাৰি নাপাই তেওঁ ভাগৰি-জুগৰি উটকেইটাৰ ওচৰলৈ উভতি আহিল; পুনৰ উটকেইটা গণিবলৈ ধৰিলে; "আচৰিত কথা; সকলোকেইটা উটেই ঠিকমতে আছে ! ছেঃ, মোৰ মূৰটো ঘূৰোৱা যেনহে লগিছে !" এইবুলি সাউদ পুনৰ উটৰ পিঠিত উঠিল আৰু যাত্ৰা আৰম্ভ কৰিলে ।

গৈ থাকিয়েই সন্দেহবশতঃ আকৌ এবাৰ পিছলৈ চাই উটকেইটা গণিলে; আগৰদৰেই হিচাপত নটা উট হে পালে; "কি কথা; পুনৰ নটা উট ! বাৰে বাৰে কিয় এটা উট কমি যায় !" সাউদৰ মনটোত খেলিমেলি লাগিবলৈ ধৰিলে ।

বহুত ভাবি গুণি সাউদে বুজিলে– "উটৰ পিঠিত উঠি যাত্ৰা কৰিলেই এটা উট কমি যায়; সেয়ে ময়ো ইহঁতৰ দৰে খোজেৰেই যোৱাহে ভাল হ'ব !" এইবুলি মনটো ঠিক কৰি লৈ টিকাফটা ৰ'দতো সাউদে উটকেইটাৰ সৈতে খোজেৰেই যাত্ৰা আৰম্ভ কৰি দিলে ।



© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist S. P. Raju

যাদু লগা পেন্সিল

কাশিম নামের একটা বাচ্চা ড্রইং করতে খুব ভালো বাসতো। ও তাই ধারালো পাথরের টুকরো বা ছোট গাছের ডাল দিয়ে মাটিতে আঁকতো।

এক দিন ওর মনে হলো ”যদি আমার কাছে একটা পেন্সিল থাকতো! তালে কতো সুন্দর সুন্দর আঁকতে পারতাম।“ তখনি ওর দেখা একটা বুড়ো লোকের সাথে হয়ে গেলো। ওর বুড়ো লোকটা কাশিমকে একটা পেন্সিল দিলো।

পেন্সিলডাল পাই কাচিমে মনত বৰ আনন্দ পালে; তেওঁ আনন্দ মনেৰে ধুনীয়াকৈ এটা কুকুৰা আঁকিলে; কিন্তু কি আচৰিত কথা– ছবিৰ কুকুৰাটো সঁচাসঁচি কুকুৰা হৈ পৰিল; মনৰ আনন্দত কাচিমে এইবাৰ এটা মেকুৰী আঁকিলে; এইবাৰ ছবিৰ মেকুৰীটোও সঁচা মেকুৰী হৈ পৰিল; "আঃ ! এয়া দেখোন যাদু লগা পেন্সিল !"

পিছৰবাৰ কাচিমে এটা বল আঁকিলে; বলটো সঁচা বল এটা হৈ পৰিল ।

তাৰ পিছত কাচিমে বহী, লাটুম, চোলা, ফুল আদি আঁকিলে আৰু সকলোবোৰেই সঁচাসঁচি ৰূপ ল'বলৈ ধৰিলে; দুখীয়া মানুহে যিহকে বিচাৰে কাচিমে তাকেই আঁকি আঁকি সঁচা ৰূপত বিলাবলৈ ধৰিলে ।



কথাটো লাহে লাহে গৈ ৰজাৰ কাণত পৰিলগৈ; ৰজাই কাচিমক মতোৱাই নি আদেশ দিলে- "মোক ডাল ভৰি ভৰি সোণৰ মুদ্ৰা লাগি থকা গছ এজোপা আঁকি দিয়া ।"

"মহাৰাজ, আপোনাৰ ধন-সম্পত্তি বহুত আছে; মই কেৱল দুখীয়া জনৰ বাবেহে ছবি আঁকিম ।" এইবুলি কৈ কাচিমে ৰজাৰ আদেশ অমান্য কৰিলে ।

ৰজাৰ বহুত খং উঠিল আৰু মন্ত্ৰীক আদেশ দিলে- "ইয়াক নি বন্দীশালত সমোৱাই থোৱাগৈ ।"

ৰজাৰ আদেশমতেই কাচিমক চিপাহী–চন্তৰীয়ে নি বন্দীশালত ভৰাই থ'লেগৈ ।

কিন্তু– বন্দীশালৰ ভিতৰত কাচিম জানো এনেয়ে বহি থাকিব !

চতুৰ কাচিমে বন্দীশালত সোমায়েই এটা চাবি আঁকিলে আৰু চাবিটো সঁচা ৰূপত প্ৰকট হ'ল; সেই চাবিৰেই বন্দীশালৰ তলাটো খুলি কাচিম তাৰ পৰা ওলাই গুচি আহিল ।

মালয়েচিয়া দেশৰ কাহিনী

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

Assamese Rosananda Gogoi

L. S. Saraswathi S. Rajalakshmi

Artist S. P. Raju

বান্দৰ হ'লগৈ মালী

বহুদিনৰ আগৰ কথা; এবাৰ এজন ৰজাই কিবা কাৰণত বহুত আনন্দিত হৈ সকলো কৰ্মচাৰীকে ছুটি উপভোগ কৰিবলৈ অনুমতি দিলে; কৰ্মচাৰী সকলেও সন্তোষ পাই ঘৰাঘৰি গ'ল; কিন্তু এজন মাত্ৰ কৰ্মচাৰী ছুটি উপভোগ কৰিবলৈ ঘৰলৈ নোযোৱাকৈ থাকিল; তেওঁ আছিল ৰাজমহলৰ বাগিছাৰ মালী ।

মালীৰ চিন্তা হ'ল– "ছেঃ ! মই যদি ছুটি উপভোগ কৰিবলৈ গুচি যাওঁ গছপুলিবোৰ দেখোন মৰহি শুকাই যাব; কি কৰা যায় !" ইয়াকে ভাবি থাকোঁতে তেওঁ এটা উপায় বিচাৰি পালে । তেওঁ বাগিছাখনত বাস কৰা বান্দৰবিলাকৰ ওচৰ পালেগৈ ।

বান্দৰৰ দলপতিজনক মালীয়ে ক'লে- "তোমালোকতো ৰাজমহলৰ বাগিছাত স্বাধীনভাবে বসবাস কৰি আছা; ফল-পাত বিনা বাধায়ে খাবলৈ পোৱা; গছগছনিবিলাকত আনন্দমনে খেলাধূলা কৰা; আজি এই বাগিছাখনৰ বাবে মোক তোমালোকৰ অলপ সহায় লাগে; সহায় কৰিবানে ?"

বান্দৰৰ দলপতিজনে হয়ভৰ দি ক'লে- "নিশ্চয় কৰিম; কওক কি কৰিব লাগিব !"

মালীয়ে তেতিয়া ক'লে- "তোমালোকে গছবিলাকত সদায় পানী দিব লাগিব; আবেলি ৰ'দ যেতিয়া নৰম হ'ব তেতিয়াই পানী দিয়াৰ সময় ।"

মালীয়ে সাৱধান কৰি দি আকৌ ক'লে– "কিন্তু মনত ৰাখিবা যে পানী যেন জোখমতে হে দিয়া; বেচিকৈও নহয়, কমকৈও নহয় ।" এই বুলি কৈ বান্দৰবিলাকৰ পৰা বিদায় লৈ মালীয়ে নিশ্চিন্ত মনেৰে গাঁৱৰ ঘৰলৈ যাত্ৰা কৰিলে ।

আবেলি ৰ'দ কমাৰ লগে লগেই বান্দৰবিলাকে পানীৰ পাত্ৰ লৈ গছবিলাকত পানী দিবলৈ লগিল; দলপতিয়েও সকলোকে সঁকিয়াই দি ক'লে– "সকলো গছতে ঠিক জোখত পানী দিবা ।"

এটা বান্দৰে দলপতিক সুধিলে– "প্ৰতিজোপা গছত ঠিক জোখত যে পানী পৰিছে, আমি সেয়া কেনেকৈ গম পাম ?"

বান্দৰৰ দলপতি চিন্তাত পৰিল; অলপ চিন্তা কৰি লৈ ক'লে– "গছবিলাক উঘালি চাবা; যিজোপাৰ শিপা দীঘল তাত বেচি পানী দিবা আৰু যিজোপাৰ শিপা চুটি তাত কম পানী দিবা ।"

এই কথা শুনিয়েই বান্দৰবিলাকে এফালৰ পৰা সকলো গছ উঘালি পেলালে আৰু শিপাৰ জোখ চাই চাই পানী দি সেইবোৰ আকৌ ৰুই থ'লে ।

ছুটি কটাই উভতি আহি মালীয়ে দেখিলে যে বগিছাৰ সকলো গছ জঁয় পৰি লেৰেলি আছে; মূৰে-কপালে হাত দি মালী ঠাইতে বহি পৰিল !

তেওঁৰ মনলৈ ভাব আহিল- বান্দৰে কি বুজিব নাৰিকলৰ মোল !

জাতক-কথা'

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist S. P. Raju

আধা তোমাৰ,

আধা মোৰ

বহুদিনৰ আগৰ কথা; এজন কৃষকৰ গাঁৱৰ কাষৰে হাবিখনৰ কাষত কিছু খালী মাটি আছিল; চন পৰা মাটিখিনি দেখি কৃষকৰ মন গ'ল তাতে বাদামৰ খেতি কৰিবলৈ; সেয়ে মাটিখিনি চহাই লৈ তাত বাদামৰ গুটি ৰুলে; তাৰ পিছত বাদামৰ গছবোৰৰ আদৰ-যত্ন লৈ থাকিল ।

আঁতৰৰ পৰা এটা ভালুকে কৃষকজনৰ সকলো কামকাজ চাই আছিল ।

এদিন ভালুকটো কৃষকজনৰ ওচৰলৈ আহি ক'লে- "হেৰৌ কৃষক ! মই তোক খাম এতিয়া ।"

কথাষাৰ শুনি কৃষকজনৰ বৰ ভয় লাগিল, বুকুত কঁপনি উঠিবলৈ ধৰিলে; তথাপি সাহস গোটাই মনটো টান কৰি ক'লে- "ভালুক ককাই ! কৃপা কৰি মোক নাখাবা; এই ফচলখিনি পুৰঠ হ'লে আমি সমানে ভগাই ল'ম; মাটিৰ ওপৰৰ সকলোখিনি তোমাৰ হ'ব আৰু তলৰ শিপাবোৰহে মই ল'ম ।" ভালুকে কথাখিনি মানি ল'লে ।

কৃষকে বাদামৰ খেতিডৰাৰ আদৰ যত্ন লৈ দিনবোৰ পাৰ কৰিলে; এদিন দেখা গ'ল বাদাম চপাবৰো সময় হ'ল; ফচল খুব ভাল হৈছে; ভালুকেও আহি নিজৰ ভাগটো বিচাৰিলে ।

কৃষকে আগৰ চুক্তিমতে মাটিৰ ওপৰৰ গছবিলাক ভালুকক চমজাই দি নিজে মাটিৰ তলৰ শিপাবোৰ বান্ধি মেলি লৈ গাঁৱলৈ যাবলৈ সাজু হ'ল ।

"ঐ ! ৰহ ।" ভালুকে কৃষকক উদ্দেশ্য কৰি ক'লে; "মই এই শিপাবোৰৰ জুতি লৈ চাওঁ দে !" এইবুলি ভালুকে শিপা কিছুমান চোবাই খাই চালে ।

তাৰ পিছত গুজৰণি তুলি ভালুকে কৃষকক ক'লে- "অ ! শিপাবোৰ দেখোন বৰ জুতি লগা; কিন্তু ডাল-পাতবোৰততো একো জুতি নাই; তাৰমানে তই মোক ঠগিলি ! শুন, আজিৰপৰা তই এইফালে আৰু কেতিয়াও নাহিবি ।"

"ভালুক ককাই ! দায় নধৰিবা ! অহাবাৰ মাটিৰ তলৰ শিপাখিনি বাৰু তুমিয়ে ল'বা; ওপৰৰ ডাল-পাতবোৰকে মই ল'ম দেই !" এইবুলি ভালুকক ফুচুলাই মেলি মান্তি কৰাই কৃষক গ'লগৈ ।

পিছৰবাৰ সেই ঠাইত কৃষকে গোমধানৰ খেতি কৰিলে; সেইবাৰো খেতি বৰ ভাল হ'ল; খেতি চপাই ভালুকক শিপাবোৰ চমজাই দি গোমধানেৰে সৈতে গছবোৰ গাড়ীত তুলি কৃষকে লৰালৰিকৈ তাৰপৰা প্ৰস্থান কৰিলে ।

ভালুকে তাৰ ভাগত পৰা শিপাবোৰ খাই চালে; "ছিঃ ! এইবোৰত দখোন একো জুতি নাই; তাৰমানে কৃষকে মোক আকৌ ঠগিলে ! ঠিক আছে, এইবাৰ কৃষকক মজা দিম !" এইবুলি কৃষকজন পুনৰ অহালৈ ভালুকে বাট চাবলৈ ধৰিলে ।

পিচে- চতুৰ কৃষকজন সেইফালে আৰু কাহানিও নগ'ল ।

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi
Assamese Rosananda Gogoi
Artist Uma Krishnaswamy

ঘৰ সলনি

এখন গাঁৱত ধনীৰাম নামেৰে এজন ধনী মানুহ আছিল; তেওঁৰ ঘৰৰ বাঁওকাষে এজন কমাৰৰ কমাৰশাল আৰু সোঁকাষে এজন বাঢ়ৈৰ ঘৰ আছিল ।

কমাৰশালৰ পৰা অহা হাতুৰিৰ কোবৰ শব্দই গোটেই দিনটো ধনীৰামক অতীষ্ঠ কৰিছিল; আনফালে বাঢ়েৰ ঘৰৰ পৰা অহা কাঠ কটাৰ শব্দইও তেওঁক বিৰক্ত কৰি তুলিছিল; তেওঁ শান্তিৰে না বিশ্ৰাম ল'ব পাৰিছিল, না শুব পাৰিছিল ।

ধনীৰামে ইয়াৰ পৰা পৰিত্ৰাণৰ এটা উপায় বিচাৰি চিন্তা কৰিবলৈ ধৰিলে !

অৱশেষত এদিন কমাৰ আৰু বাঢ়ে দুয়োজনকে ঘৰলৈ মাতি ধনীৰামে ক'লে- "তোমালোকৰ ঘৰৰ পৰা অহা অতিপাত শব্দৰ প্ৰকোপত মই শান্তিৰে শুব নোৱৰা হৈছোঁ; তোমালোকে ঘৰ সলাই লোৱাঁ; তাৰবাবে তোমালোকক যিমান ধন লাগে মই দিম ।"

"ভাল বাৰু ! আপোনাৰ ইচ্ছামতেই হ'ব ।" এইবুলি দুয়ো ধনীৰামৰ ঘৰৰ পৰা বদায় ল'লে ।

তাৰ পিছত ঘৰলৈ গৈ দুয়ো গাড়ীত বস্তু-বাহানি তুলি লৈ ঘৰৰ পৰা ওলাল; তকে দেখি ধনীৰামৰ বৰ আনন্দ লাগিল ।

"উস, ৰক্ষা ! দুয়ো ঘৰ খালী কৰিলে; এতিয়া অন্ততঃ মই শান্তিৰে শুব পাৰিম !" এইবুলি ধনীৰাম শুবলৈ গ'ল ।



পিছদিনা ৰাতিপুৱা পুনৰ দুয়োফালৰে পৰা কাণ তাল মৰা আগৰ শব্দবোৰ আহিবলৈ ধৰিলে; আচৰিত হৈ ঘটনাৰ সবিশেষ বুজ ল'বলৈ ঘৰৰ চাকৰজনক পঠিয়ালে ।

চাকৰে আহি ক'লেহি– "মহাশয়, দুয়ো ঘৰ সলাই ল'লে; বাঢ়ৈৰ ঘৰলৈ কমাৰ গ'ল আৰু কমাৰৰ ঘৰলৈ বাঢ়ৈ গ'ল ।"

মূৰে–কপালে হাত দি ধনীৰাম ঠাইতে বহি পৰিল ।

ক'ৰিয়া দেশৰ সাধু

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist S. P. Raju

কাৰ চৰাই



পুৰাবেলাৰ কথা; ফুলনিত নানা ৰঙৰ ফুল ফুলি আছিল; চৰাইবোৰ নাচি-বাগি উৰি ফুৰিছিল ।

ৰাজকুমাৰ সিদ্ধাৰ্থ ফুলনিত টহল দি আছিল; হঠাতে এটা চৰায়ে ডাঙৰকৈ চিঞৰি দিলে; লগে লগে বাকী চৰাইবোৰ ভয়তে যেনিতেনি উৰিবলৈ ধৰিলে ।



চাৰিওফালে ঘূৰিপকি চাই সিদ্ধাৰ্থই ভাবিবলৈ ধৰিলে- "এই চৰাইবিলাকৰ কি হ'লনো !" তেনেতে তেওঁৰ ভৰিৰ ওচৰতে এটা হাঁহ পৰিলহি; তাৰ গাত এপাট কাঁড় লাগি আছিল; হাঁহটোৱে বিষত ছটফটাবলৈ ধৰিলে ।

সিদ্ধাৰ্থই হাঁহটো দাঙি লৈ অতি সাৱধানতাৰে কাঁড়ডাল উলিয়াই দিলে; ঘাডোখৰত দৰব লগাই দিলে; হাঁহটোৰ গাত আলফুলকৈ হাত বুলাই বুলাই কোলাত লৈ থাকিল; লাহে লাহে হাঁহটোৰ ভয় আৰু কঁপনি কমি আহিল ।

অলপ পিছতে সিদ্ধাৰ্থৰ ককায়েক দেৱদত্ত দৌৰি দৌৰি আহি সেইখিনি পালেহি; ক'লে- "এইটো মোক দিয়া; এইটো মোৰ হয় ।"



সিদ্ধাৰ্থই ক'লে– "ইয়াক মই বচাইছোঁ; এইটো মোৰ হয় ।" এইবুলি হাঁহটোৰ পিঠিত মৰমেৰে হাত বুলাই বুলাই ৰাজমহললৈ আগ বাঢ়িল; পিছে পিছে দেৱদত্তও গ'ল; দুয়ো গৈ ৰজাৰ কাষ পালেগৈ; দেৱদত্তই ৰজাক গোচৰ দিলে– "সিদ্ধাৰ্থই মোক মোৰ হাঁহটো দিয়া নাই ।"

সিদ্ধাৰ্থই ৰজাক ক'লে– "পিতা ! দেৱদত্তই হাঁহটোক কাঁড় মাৰি ঘূণীয়া কৰিছিল; মইহে বচাইছোঁ; সেয়ে এইটো মোৰ ।"

দেৱদত্তই ক'লে– "নহয়; হাঁহটো প্ৰথমে মই দেখিছিলোঁ; সেয়ে এইটো মোৰ হে ।"

ৰজাই কিছুসময় চিন্তা কৰি ৰায় দিলে– "দেৱদত্ত ! তুমি হাঁহটো মাৰিব খুজিছিলা; কিন্তু সিদ্ধাৰ্থই যত্ন কৰি তাৰ জীৱন বচালে; মাৰোঁতাতকৈ বচাওঁতাজন হে ডাঙৰ; সেয়ে হাঁহটো সিদ্ধাৰ্থৰ হে ।"

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist Uma Krishnaswamy

উট আৰু শিয়াল

"উট ককাই ! নদীৰ সিপাৰৰ খেতিডৰালৈ চোৱাঁচোন; তাত টিঁয়হৰ ফচল বৰ মজাৰ হৈছে; আজি সেই পাৰলৈকে যাবা নেকি ?" -শিয়ালে বৰ আশাৰে সুধিলে ।

"অঁ, অঁ ! নিশ্চয় যাম ।" এইবুলি শিয়ালক পিঠিত তুলি নদী পাৰ হৈ দুয়ো টিঁয়হৰ খেতিডৰাত সোমালগৈ; টিঁয়হবোৰ বৰ জুতি লগা আছিল; দুয়ো হেঁপাহ পলোৱাই টিঁয়হ খোৱাত লাগিল ।

শিয়ালৰ পেট সৰু; সেয়ে সোনকালেই পেট ভৰিল আৰু মালিক অহাৰ ভয়ত সি ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে; ইফালে উটৰ পেট ভৰা নাই; তেওঁ টিঁয়হ খোৱাত মগ্ন আছিল ।

মাজে মাজে শিয়ালে উটক প্ৰশ্ন কৰি থাকিল– "উট ককাই ! তোমাৰ পেট ভৰায়েই নাই নে ?"

"মোৰ পেটটো ডাঙৰ; আধাও ভৰা নাই; তুমি মনে মনে থাকি মোক শান্তিৰে খাবলৈ দিয়া ।" –উটে শিয়ালক ক'লে ।

কিন্তু শিয়াল ক'ত শান্ত হৈ থাকিব ! ক'লে– "পেট ভৰাই খোৱাৰ পিছত মই আকৌ মনে মনে থাকিব একেবাৰেই নোৱাৰোঁ ।" এইবুলি সি ওপৰলৈ মুখ কৰি হুৱা দিবলৈ ধৰিলে ।

শিয়ালৰ হুৱা শুনি ওচৰৰ গাঁৱৰ মানুহ লাঠি-জোং লৈ দৌৰি ওলাই আহিল; শিয়াল পলাই পত্ৰং দি নদীৰ পাৰ পালেগৈ ।

বেচেৰা উট পলাব নোৱাৰি ধৰা পৰিল; তেওঁৰ গাত গঞাৰ সমূহীয়া মাৰ-কিল বাৰুকৈয়ে পৰিল; বিষত কেঁকাই কেঁকাই কোনোৰকম নদীৰ পাৰ পালেগৈ ।

শিয়ালে লেৰেলা সাদৰ দেখুৱাই উটক উদ্দেশ্য কৰি ক'লে- "আইঐ দেহি, বৰ বেয়াকৈ মৰিয়ালে ! মোৰ খুব দুখ লাগিছে !"

শিয়ালৰ দুষ্ট বুদ্ধি উটৰ বুজিবলৈ বাকী নাছিল; তথাপিও সেহাই সেহাই শিয়ালক ক'লে- "কোনো কথা নাই; মোৰ পিঠিত উঠা; আমি সোনকালে সিপাৰলৈ যাওঁগৈ ।"

শিয়ালক পিঠিত তুলি উট গৈ নদীৰ মাজ পালেগৈ ।হঠাৎ উট বৈ দিলে; বৈ দি উটে কঁকালটো আৰু গাটো খুব জোকাৰিবলৈ ধৰিলে ।

শিয়ালে ভয় খাই সুধিলে– "ককাই ঔ ! এনেকৈ কিয় জোকাৰিছা ? মই পানীত পৰি যাম এতিয়া !"

"কি কৰিম শিয়াল ভাই, পেট ভৰাই খোৱাৰ পিছত গাটো জোকাৰি জোকাৰি পানীত ডুব মৰাটো মোৰ অভ্যাস !" এইবুলি কৈ এইবাৰ উটে পানীত ডুব মাৰি দিলে ।

বেচেৰা শিয়ালৰ সান্দহ খোৱা বালি তল পৰিল; সি পনীত পৰি উটি গুচি গ'ল ।



পঞ্চতন্ত্ৰৰ কাহিনী

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

Assamese Rosananda Gogoi

L. S. Saraswathi S. Rajalakshmi

Artist Uma Krishnaswamy

ঠালিৰ আত্মবিশ্বাস

'কেটেক্'-কৈ শব্দ কৰি গছৰ ঠালি এডাল ভাগি পৰিল ।

সেই ঠালিডালৰ বাৰু কি হ'ল; তলতে পৰি থাকিল নে ?

নাই, নাই ! সেই ঠালিডাল ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে; নদীৰ পানীত উটি ভাহি খেলি থাকিল ।

হঠাৎ ই শুনিবলৈ পালে পখীৰ সুললিত মাত; ওপৰলৈ চাই দেখিলে গছৰ ডালত কুলি চৰাইয়ে গীত জুৰিছে; ঠালিয়ে মগ্ন হৈ উপভোগ কৰিলে; প্ৰশংসা কৰিবলৈ মন আছিল যদিও ঠালিৰ মাত নোলাল ।

অলপ আগলৈ গৈ দেখিলে এটা কেৰ্কেটুৱাই খাদ্য গোটাই আছে; "খাদ্য সঞ্চয় কৰাৰ সুন্দৰ উপায় এটা মই জানোঁ ।"



ইবুলি কেৰ্কেটুৱাক ক'বলৈ ঠালিৰ বৰ মন গৈছিল; পিচে- "এডাল ঠালিৰ কথা কোনেনো বিশ্বাস কৰিব !" -বুলিয়েই ৰৈ গ'ল ।

আৰু অলপ দূৰ যোৱাৰ পিছত ঠালিয়ে এটা ভেকুলি লগ পালে; ভেকুলীটোৱে কবিতা লিখি আছিল; দুই এফাঁকি কবিতাৰে ভেকুলিক সহায় কৰিবলৈ ঠালিৰ বৰ মন গৈছিল; পিচে- সেয়া কৰিব নোৱাৰিলে ।

নদীৰ কাষৰে জোপোহা এটাত ঠালিয়ে এপাহ গোলাপ ফুলি থকা দেখিলে; "তুমি যে কি ধুনীয়া !"

-বুলি ক'ব খুজিও ঠালিডালে মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰিলে; দুখমনেৰে ঠালিডালে নিজকে চুচৰাই চুচৰাই গতি কৰিবলৈ ধৰিলে; হঠাৎ পিছলৈ চাই ঠালিয়ে দেখিলে চুচৰি আহোঁতে বাটত চিন ৰৈ গৈছে; সেয়া দেখিবলৈ ছবিৰ দৰে লাগিছে; ঠালিৰ মন আনন্দেৰে ভৰি পৰিল ।





ঠালিয়ে মাটিত পুনৰ আঁচ টানি টানি ছবি আঁকিবলৈ ধৰিলে ।

ঠালি ছবি অঁকাত ব্যস্ত হৈ পৰিল; গছ-বন, পশু-পক্ষী সকলোৱে ঠালিৰ চিত্ৰাঙ্কণ ৰ-লাগি চাবলৈ ধৰিলে; পিচে- ঠালিৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই ।

ঠালিয়ে ইখনৰ পিছত সিখন ছবি আঁকি গ'ল; হাবিৰ মাটিত সুন্দৰ সুন্দৰ চিত্ৰ অঙ্কণ হ'বলৈ ধৰিলে- যিবিলাক আগতে কোনেও দেখা নাছিল; ছবিবোৰে ঠালিক উৎসাহিত কৰি গ'ল আৰু ঠালিয়েও অবিৰত ভাবে আঁকি গ'ল ।



পখিলাই গুণগুণাবলৈ ধৰিলে; গছ-বনে নাচি-বাগি ঠালিক প্ৰশংসা কৰিলে; গোলাপ ফুলেও মিচিকিয়াই হাঁহিলে ।



হঠাত দেখোন টপ, টপ, টপ, টপকৈ বৰষুণ পৰিবলৈ ধৰিলে; জীৱ-জন্তু-পক্ষী সকলো অ'ত ত'ত লুকালগৈ ।

উস ! ঠালিয়ে অঁকা ধনীয়া ধুনীয়া ছবিবোৰ নিমিখতে নোহোৱা হৈ গ'ল ।

পিচে- ঠালিৰ মনটো কিন্তু দুখে আৱৰিব নোৱাৰিলে; কাৰণ ঠালিৰ আত্মবিশ্বাস হ'ল যে যেতিয়াই মন যাব তেতিয়াই ধুনীয়া ধুনীয়া ছবি সদায়েই আঁকিব পাৰিব আৰু মনৰ ভাববোৰো সুন্দৰকৈ প্ৰকাশ কৰি যাব পাৰিব ।

জন লে'কনৰৰ 'ক্লেভাৰ ষ্টিক' আধাৰিত সাধুকথা

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi
Artist Uma Krishnaswamy

পোৱালি বান্দৰৰ ফল ভক্ষণ

এদিন এটা পোৱালি বান্দৰ খেলি খেলি তৰমুজৰ খেতিত সোমালগৈ; সি প্ৰথমবাৰৰ বাবে তৰমুজ দেখা পাই তাৰ ডাঠ বাকলিকে সি খাবলৈ ধৰিলে ।

দুকামোৰ মাৰিয়েই পোৱালি বান্দৰে ক'লে– "ছিঃ ! তৰমুজৰ জুতি বেয়া ।"

তেনেতে– কাষতে থকা ঘোঁৰা পোৱালি এটাই মাত লগালে– "তৰমুজৰ বাকলি নাখায়নহয়; শাহখিনিহে খাব লাগে ।"

ঘোঁৰা পোৱালিৰ কথা শুনিয়েই পোৱালি বান্দৰে দৌৰ মাৰি পলাবলৈ ধৰি ক'লে– "তৰমুজৰ শাহখিনিহে যে খাব লাগে বুলি কোনেনো নাজানে ?"

এইবাৰ পোৱালি বান্দৰ গৈ চিৰালৰ খেতিত সোমালগৈ; গৈয়েই এটা চিৰাল ফালি তাৰ গুটি থকা খেপখেপীয়া অংশবোৰ খাবলৈ ধৰিলে ।

এইবাৰ এটা গাধৰ পোৱালি আহি ক'লে– "বন্ধু ! চিৰালৰ চালৰ তলৰ নৰম শাহখিনিহে খাব লাগে; গুটি থকা খেপখেপীয়া অংশবোৰ নখায়নহয় !"



বান্দৰ পোৱালিয়ে মুখত থকা চোবাথিনি পেলাই দি ক'লে- "সেইটো মই আগৰেপৰাই জানোঁ ।"

তাৰ পিছত বান্দৰ পোৱালি গৈ এজোপা কাঠবাদামৰ গছত উঠিলগৈ ।

বাদাম এটা ছিঙি লৈ কামোৰ মাৰিলে; তেনেতে এটা নীলকন্ঠ চৰাই আহি মাত লগালে- "কাঠবাদামৰ ওপৰৰ বকলিটো নাখায়নহয় ...।" কথাখিনি শেষ নহওঁতেই বান্দৰ পোৱালিয়ে তপৰাই ক'লে- "মই এইবোৰ সকলো জানোঁ ।" এইবুলি সি বাদামৰ ভিতৰভাগৰ টান বাকলিটোত কামোৰ মাৰিয়েই বিষত চিঞৰি উঠিল- "আই ঐ ! মোৰ দাঁত ভাগিল ঐ .."

এনেকৈ কৈয়েই সি ডালৰ পৰা পিছলি গছৰ তলত পৰিলগৈ ।

"কাঠবাদামৰ ভিতৰৰ বাকলিটোও নহয়– তাৰ ভিতৰৰ শাহখিনিহে খাব লাগে ।"

–বুলি নীলকন্ঠ চৰাইটোৱে পুনৰ বান্দৰ পোৱালিক বুজনি দিলে ।

এইবাৰ বান্দৰ পোৱালি উঠিলগৈ নাচপতিৰ গছত; এটা নাচপতি ছিঙি লৈ ডালত থেঁতালি থেঁতালি ভিতৰৰ শাহখিনি খোঁচৰি খোঁচৰি গুটিবোৰ চোবাবলৈ ধৰিলে আৰু মুখ বিকটাই ক'বলৈ ধৰিলে– "উস ! খাবলৈ ইমান অকটা !"

নীলকন্ঠ চৰাই কাষলৈ উৰি আহি সুধিলে– "জুতি কেনে পালা ?"

বান্দৰ পোৱালিৰ বৰ খং উঠিল; নাচপতিটো নীলকন্ঠৰ ফালে দলিয়াই দি চিঞৰি চিঞৰি ক'লে– "মই আৰু কেতিয়াও ফল নাখাওঁ; মই আৰু কেতিয়াও ফল নাখাওঁ !"

চীন দেশৰ সাধুকথা

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi

Artist Uma Krishnaswamy

12

সাঁথৰ ভাঙোঁ আহাঁ



দৌৰি ফুৰে, বগুৱা বাই ফুৰে,
গাঁতৰ পৰা ওলাই জঁপিয়াই ফুৰে;
দূৰ দূৰণিলৈ গতি কৰে–
জীৱকুলৰ পিয়াহ হৰে !



সকলোতে ব্যাপি থকা, দুখীয়াৰ
যেন বিচনা;
মেৰিয়ালেও মেৰ নোখোৱা কোন বাৰু
সেই অজানা !

শৰীৰ অবিহনেই খেলে, ফুৰে, কি এক বিশেষত্ব,
জীৱৰ উশাহ যাৰ অবিহনে অসম্পূৰ্ণ,
নেদেখাকৈয়েই যি চুই গৈ বুজায় নিজৰ অস্তীত্ব ।

কাগজ দিলে খাই থয়,
পানী পালেই মৰে ।

নীলা চালি মোৰ ওপৰত আছে !
কাহানিও চুই চাব নোৱাৰোঁ পিচে;
কাষ চাপি যিমান গ'লেও-
উভতি আহোঁ খালী হাতেৰে ।

গুম্ গুম্ গুম্ গুম্ আটাহ পাৰে,
জকমকাই সি আকাশত উঠে;
দৃষ্টি এবাৰ পৰিলেই তাতে-
নিমিষতে চকু মোৰ মুদ খাই পৰে !

ঝৰ ঝৰ ঝৰকৈ নামে যেতিয়াই
ধৰণীও সাজে-কাচে তেতিয়াই !

ভাপ আৰু কণিকাতে মোৰ স্পন্দন
আকাশত উৰি ফুৰা;
শুকুলা এৰি পিন্ধি ক'লা সাজ
পৃথিৱীলে নামোঁ হে বৰষা ।

জানানে এখন বাগিছা আছে
ৰাতি ফুলে ফুল তাত;
পুৱা হ'লে সিহঁত শুই থাকে পিচে-
নোপোৱা ফুলৰ সুবাস ।

জীৱক লৈ বুকুত সামৰি
চঞ্চল অধীৰ হৈ খেলে, গায়;
নদীক আদৰি, নদীক সাদৰি
পৃথিৱী সমগ্ৰ পুনৰ ফুৰায় ।

সবাতোকৈ মই ডাঙৰ ধনু
সাতোৰঙী মোৰ সাজ;
চুব, ধৰিব নোৱাৰে কোনেও
যিমানেই মেলক হাত ।

তেওঁক এৰি দি পৃথিৱীও নুঘূৰে
শইচে নাপায় প্ৰাণ;
ৰাতি, দিন জানা একোৱেই নহয়
হেৰাব ঋতুও আপোন ।

আকাশত মোৰ ঘৰ সৱে বোলে মোক বাই;
দিনত লুকাই ৰাতিহে ওলাওঁ জোনাকৰ গীত গাই ।

(জোন/চন্দ্ৰ, বেলি/সূৰ্য্য, ৰামধনু/ইন্দ্ৰধনু, সাগৰ/সমুদ্ৰ,
তৰা, ডাৱৰ/মেঘ, বৰষুণ/বৃষ্টি, বিজুলী, আকাশ,
জুই/অগ্নি, বতাহ বা বায়ু, পৃথিৱী, পানী)

টপকৰে সি কৈ দিব পাৰে
আশে-পাশে কিবা ৰান্ধিলেই;
হওক সুবাস, হওক দূৰ্গন্ধ-
একো যে নাথাকে লুকাই ।

মিঠা, টেঙা, তিতা যিহকে নোহোৱা নিমিখতে পাওঁ গম;
আছে নে কোনোবা মোৰ নিচিনা কোৱাঁ নকৰি পলম ।

গছৰ ডালত ভাটৌ বহি আছে, পানীত হাঁহ সাঁতুৰিছে;
কোৱাচোন বাৰু এই সকলো জনাই কোনে মোক আছে !

কুউ, কুউ-কৈ কুলিয়ে মাতে কাউৰীয়ে কা-কা;
বনত হাতীয়ে হাউৰিয়াই থাকে কেনেকৈ জানিছোঁ বা !

ৰং যদিও বেলেগ বেলেগ সকলোৰে পিচে আছে;
যেয়ে আমাক জনাই থাকে গ্ৰীষ্ম নে শীত চলি আছে ।

(চাল, কাণ, চকু, জিভা, নাক)

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation
Assamese Rosananda Gogoi
Artist Uma Krishnaswamy

নিগনিৰ সমদল যাত্ৰা

এদিন মেকুৰী ৰাণীয়ে নিগনিবোৰ ধৰিবলৈ এটা বুদ্ধি পাঙিলে ।

ওচৰ-পাজৰৰ সকলো নিগনিক উদ্দেশ্য কৰি মেকুৰী ৰাণীয়ে মৰম লগাকৈ ক'লে- "ইমান দিনে মই তোমালোকক বৰ আমনি দি আহিছোঁ; আজি মই দোষী অনুভৱ কৰিছোঁ ! এতিয়াৰ পৰা তোমালোকৰ আৰু শান্তি ভংগ নকৰোঁ; কেৱল এটাই অনুৰোধ- তোমালোকে নিতৌ পুৱা আৰু গধুলি শাৰি পাতি আহি মোক প্ৰণাম জনাই গুচি যাবা; মই তাতেই সন্তুষ্ট হ'ম; মোক আৰু একো নালাগে ।"

নিগনিবোৰেও তত পোৱা যেন পাই আনন্দেৰে হয়ভৰ দিলে । নিতৌ এখন সিংহাসনত মেকুৰী ৰাণী বহে আৰু নিগনিবোৰ এটি দল হৈ লানি পাতি প্ৰণাম জনাই পাৰ হৈ যায়; পিচে নিগনিবোৰে মেকুৰী ৰাণীৰ গোপন কিটিপটো গমকে নাপালে যে- লানিটোৰ একেবাৰে শেষত যোৱা নিগনিটো মেকুৰী ৰাণীয়ে ধৰি খাই থ'লে ।



এই নিগনিবোৰৰ মাজতে লিটিকিণ আৰু পিটিকিণ নামৰ দুটা চতুৰ নিগনি আছিল; দুয়োটাই গম পালে যে লাহে লাহে নিগনিৰ সংখ্যা কমিবলৈ ধৰিছে; সেয়ে দুয়ো পাং পাতিলে যে- লিটিকিণ লানিটোৰ একেবাৰে আগত যাব আৰু পিটিকিণ একেবাৰে শেষত যাব ।

লিটিকিণে লানিটোৰ আগত গৈ গৈ সকলোৱে শুনাকৈ "পিটিকিণ ! তুমি ক'ত আছা ?" বুলি সুধি থাকে আৰু "লিটিকিণ ! মই শেষত গৈ আছোঁ ।" বুলি পিটিকিণেও উত্তৰ দি থাকে; এনেকৈয়ে কৈ কৈ দুয়োৰে লগতে সকলো নিগনি গৈ থাকিল ।

মেকুৰী ৰাণীৰ নিগনি ধৰা নহ'ল; কাৰণ- ধৰিলেইতো বুদ্ধিটো সকলোৱে গম পাই যাম; নিগনি খাবলৈ নাপাই ভোকত মেকুৰী ৰাণীৰ সেই ৰাতি টোপনিয়েই নহ'ল ।

"আজি যি হ'ল হৈ গ'ল; কাইলৈ যেনেতেনে নিগনি ধৰিবই লাগিব !" এইবুলি ভাবি ভাবিয়েই মেকুৰী ৰাণীয়ে ৰাতিটো কটালে ।

পিছদিনা পিটিকণ লানিটোৰ আগত থাকিল আৰু লিটিকণ শেষত থাকি আগদিনাৰ দৰেই "লিটিকণ ! তুমি ক'ত আছা ?", "পিটিকণ ! মই শেষত গৈ আছোঁ ।"

–বুলি কৈ কৈ সকলোকে পাৰ কৰি লৈ গ'ল; মেকুৰী ৰাণীৰ সেইদিনাও নিগনি ধৰা নহ'ল ।

"আৰু এটা দিন চাই লওঁ !" বুলি মেকুৰী ৰাণীয়ে মনটোক শান্ত্বনা দিলে ।

সেই ৰাতি লিটিকণ–পিটিকণে সকলো নিগনিকে সাৱধান কৰি দি ক'লে– "মেকুৰী ৰাণীৰ অকণমান খং উঠা যেন দেখিলেই সকলো তৎক্ষণাত তাৰ পৰা পলাই যাবা ।"

পিছদিনা পুনৰ সমদল যাত্ৰা আৰম্ভ হ'ল; আগৰ দৰেই লিটিকণে সুধিলে– "পিটিকণ ! তুমি ক'ত আছা ?" ...; মেকুৰী ৰাণীৰ ধৈৰ্য্য হেৰাই গ'ল আৰু নিগনিবোৰৰ ওপৰত জঁপিয়াই পৰিল ।



যিহেতুকে লিটিকণ–পিটিকণে আগতেই সকলো নিগনিকে শিকাই মেলি সাৱধান কৰি থৈছিলেই– সেইবাবে তৎক্ষণাত সকলো নিগনি তাৰপৰা পলাই পত্ৰং দিলে; মেকুৰী ৰাণীৰ মনৰ আশা মনতে ৰৈ গ'ল; নিগনি আৰু ধৰা নহ'ল ।

তিব্বতৰ সাধু কথা

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation

Assamese Rosananda Gogoi

Artist Uma Krishnaswamy

খালী চৰিয়া

চীন দেশৰ এখন ৰাজ্যত পিং নামৰ এজন সৰু ল'ৰা আছিল; তেওঁ ফুল খুব ভাল পাইছিল; তেওঁ ৰোৱা ফুলৰ পুলি ডাঙৰ হ'লে খুব ভালকৈ ফুলে-ফলে; দেখিবলৈ ধুনীয়া আৰু চকুৰোৱা হয় ।

সেই ৰাজ্যৰ ৰজাজনো আকৌ খুব ফুলপ্ৰিয় আছিল; ৰাজমহলৰ ফুলনিৰ তদাৰকী তেওঁ নিজেই কৰিছিল; ৰাজ্যখন ফুলেৰে উপচা আৰু ফুলৰ সুগন্ধিৰে ভৰা আছিল ।

এদিন ৰজাই মন্ত্ৰীক ক'লে- "মই বুঢ়া হৈ আহিছোঁ; সেয়ে আমাৰ সিংহাসনৰ উত্তৰাধিকাৰী বাচনি কৰিবৰ হ'ল; ৰাজ্যৰ সকলো সৰু ল'ৰা-ছোৱালী ৰাজমহললৈ আমন্ত্ৰণ জনাওক ।"

কেইদিনমানৰ পিছত ৰাজ্যৰ সকলো সৰু ল'ৰা-ছোৱালী ৰাজমহলত আহি উপস্থিত হ'ল; "মই তোমালোক সকলোকে ফুলৰ বীজ দিম; যেয়ে সকলোতকৈ ভাল ফুলৰ গছ গজাই দেখুৱাব পাৰিবা- তেওঁকে ৰাজ্যৰ ভৱিষ্যতৰ ৰজা পাতিম ।" -বুলি কৈ ৰজাই তেওঁলোক সকলোকে ফুলৰ বীজ দিলে ।

কণমানি পিঙে ৰজাৰ পৰা ফুলৰ বীজ ল'লে আৰু আনন্দ মনে চৰিয়াত সেয়া ৰুলে; পিঙৰ আত্মবিশ্বাস আছিল যে তাৰ চৰিয়াৰ ফুল গছতেই আটাইতকৈ ভাল ফুল হ'ব; সি সদায় সময়মতে পানী দি, চোৰাচিতা কৰি বীজৰ পৰা গজালি মেলালৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিবলৈ ধৰিলে ।

এদিন দুদিনকৈ সময় পাৰ হ'ল; কিন্তু পিঙৰ চৰিয়াৰ বীজৰ গজালি নোলোৱা হ'ল; পিং চিন্তাত পৰিল; সি মাটিখিনি সলাই বীজখিনি ডাঙৰ চৰিয়া এটালৈ তুলি নিলে; পুনৰ অপেক্ষা আৰম্ভ হ'ল; এনেকৈ এটা বছৰেই হ'বৰ হ'ল; কিন্তু পিঙৰ চৰিয়াৰ ফুলৰ বীজৰ গজালি নোলাল ।

ইফালে ফুলসহ ফুলগছৰ চৰিয়া লৈ ৰাজমহললৈ যাবৰ সময়ো হৈ আহিল; সকলোৱে নতুন নতুন পোচাক পিন্ধি ফুলৰ চৰিয়াসহ ৰাজমহললৈ যাবলৈ সাজু হ'ল; এসময়ত নানা ৰঙৰ ফুলগছৰ চৰিয়াসহ সকলো ল'ৰা-ছোৱালীয়ে ৰাজমহললৈ যাত্ৰা আৰম্ভ কৰিলে ।

ইফালে পিঙৰ মনটো হতাশাত ভাগি পৰিল; "মোৰ ফুলৰ বীজবোৰৰহে বাৰু কিয় গজালি নোলাল ! মোৰ খালী চৰিয়া দেখি সকলো ল'ৰা-ছোৱালীয়েই ঠাট্টা কৰিব ।"-এই ভাবিয়েই পিঙৰ মনলৈ ৰাজমহললৈ যাওঁ-নাযাওঁ ভাব আহিবলৈ ধৰিলে ।

কিন্তু পিঙৰ দেউতাকে উৎসাহ দি ক'লে- "তুমি সদায়ে ভাল ফুলৰ গছ গজাই আহিছা; এইবাৰো তুমি বহুত চেষ্টা কৰিছিলা; এয়াও যথেষ্ট আদৰণীয় কথা ! এতিয়া তুমি ৰাজমহললৈ গৈ ৰজাক নিশ্চয়কৈ দেখা কৰিহে আহাঁগৈ ।"

ৰাজমহলত ৰজাই সকলো ল'ৰা-ছোৱালীৰে ফুলৰ চৰিয়াবোৰ এটা এটাকৈ চাবলৈ ধৰিলে; শেষত ৰজা গৈ পিঙৰ ওচৰ পালেগৈ আৰু সুধিলে- "তুমি কিয় খালী চৰিয়া লৈ আহিছা ?"

পিঙে মনৰ দুখত ফেঁকুৰি ফেঁকুৰি ক'লে- "মহাৰাজ ! আপুনি দিয়া ফুলৰ বীজ মই যতনেৰে লগাইছিলোঁ; সদায়ে পানী দি আদৰ কৰিছিলোঁ; গজালি নোলোৱা দেখি মাটি সলাই ডাঙৰ চৰিয়াতো তুলি দিলোঁ; তথাপিও গজালি নোলাল ।"

ৰজাই মিচিকিয়াই হাঁহিলে; সকলোৰে শুনাকৈ ক'লে- "এৱেঁই ভৱিষ্যতৰ ৰজা হোৱাৰ যোগ্য ।"

ৰজাৰ কথা শুনি সকলো আচৰিত হ'ল ।

এইবাৰ ৰজাই ফুলেৰে ভৰা চৰিয়া লৈ যোৱা ল'ৰা-ছোৱালীবিলাকক উদ্দেশ্য কৰি ক'লে- "তোমালোকে বীজ ক'ৰপৰা ল'লা নাজানোঁ; মই দিয়া বীজবোৰ কিন্তু অপৈনত আছিল আৰু তাৰপৰা গজালি হোৱাটো অসম্ভৱ আছিল; তোমালোকে মিছা আশ্ৰয় ল'লা; কিন্তু- পিঙৰ সত্যবাদী আৰু মুকলি আচৰণত মই অতিকে মুগ্ধ হ'লোঁ ।"

চীন দেশৰ সাধুকথা

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation
Assamese Rosananda Gogoi
Artist S. P. Raju

15

দৰ্জী আৰু জোনবাই

ঠাণ্ডা দিনৰ কথা; এজন নামী দৰ্জীয়ে নিজৰ কাৰখানা এদিন সোনকালে বন্ধ কৰি থৈ কিবাকিবি চিন্তা কৰি ঘৰলৈ বুলি খোজ দিছিল; এনেতে– "মোৰ বৰ ঠাণ্ডা লাগিছে; গোটেই ৰাতিটো দীঘলীয়া যাত্ৰা কৰিবও লাগে; তুমি মোক এটা গৰম চোলা চিলাই দিব পাৰিবা নেকি ?"

"কাৰ মাত নো !" –এইবুলি দৰ্জীয়ে ইফালে সিফালে চাবলৈ ধৰিলে ।

"এয়া; মই ইয়াত আছোঁ ।" –বুলি কওঁতা আন কোনো নহয়, সেয়া জোনবাই হে আছিল; ঠাণ্ডাতে কুঁচিমুচি জোনবাই আধা হৈ আছিল ।

দৰ্জীয়ে ভাবিলে– " জোনবাই ঠাণ্ডাতে কোঁচ খাই সৰু হৈ গৈছে !" তেওঁ কেইদিনমানৰ ভিতৰতে জোনবাইক এটা গৰম চোলা চিলাই দিয়াৰ প্ৰতিশ্ৰুতি দিলে ।

দুদিনৰ পিছত গৰম চোলাটো হৈ উঠিল ।

বিবিধ আৰ্হিৰে ভৰা গৰম চোলাটো দেখি জোনবাইৰ তত নোহোৱা হ'ল; লৰালৰিকৈ সেইটো পিন্ধিবলৈ চেষ্টা কৰিলে; পিচে দুখৰ কথা- জোনবাইৰ গাৰ জোখ মতে সেইটো নহ'ল ।

ভ্ৰূ কোঁচাই জোনবায়ে ক'লে- "মই সন্দেহ কৰিছিলোঁৱেই ! তুমিতো মোৰ জোখেই নল'লা; চোলাটো কেনেকৈনো জোখৰ হ'ব !"

দৰ্জীয়ে উত্তৰ দিলে- "মইনো কেনেকৈ তোমাৰ জোখ ল'মগৈ ?"

দৰ্জী আৰু জোনবাইৰ সকলো কথাবতৰা গছৰ ডালত বহি থকা চিলনী এজনীয়ে শুনি আছিল; তাই দৰ্জীলৈ চাই ক'লে- "দৰ্জী ককাই ! তোমাৰ জোখ লোৱা ফিটাডাল মোক দিয়া; গৰম চোলাটোৰ বাবে জোনবাইৰ গাৰ জোখময়েই লৈ আহিমগৈ ।"

এই বুলি কৈ জোখ লোৱা ফিটাডাল লৈ চিলনী উৰি গৈ আকাশ পালেগৈ আৰু জোনবাইৰ চাৰিওফালে ঘূৰি ঘূৰি উৰি সুন্দৰকৈ জোখ লৈ আহি দৰ্জীক দিলে ।

পিচে- সেয়া উৎসৱৰ সময় হোৱাৰ বাবে দৰ্জীৰ কাৰখানাত বহুত কাম আছিল; সেয়ে গৰম চোলাটো চিলাওঁতে দৰ্জীৰ কেইবাদিনো লাগি গ'ল ।

তথাপি গৰম চোলাটো পায়েই জোনবায়ে পুনৰ পিন্ধিবলৈ চেষ্টা কৰিলে; কিন্তু আচৰিত কথা- এইবাৰ আকৌ চোলাটো জোনবাইৰ গাতেই নোসোমাল ।

"দোষ সম্পূৰ্ণ তোমাৰ; চোলাটো চিলাবলৈ ইমান কেইদিন কিয় লগাই দিলা !" -বুলি জোনবায়ে দৰ্জীৰ গাতে দোষ জাপি দিলে ।



দৰ্জীয়ে খঙতে ক'লে- "এই কেইদিন উৎসৱৰ বুলি বেচি বেচিকৈ খাই খাই তুমি শকত হৈ পৰিলা; চোলাটোত কেনেকৈ গা সোমাব !"

তথাপি জোনবায়ে দৰ্জীক পুনৰ এবাৰ চিলাই দিবলৈ বুলি অনুৰোধ কৰিলে ।

"আকৌ শকত হৈ নোযোৱাতো !" -এইবুলি ঠাট্টাৰ সুৰত জোনবাইক কথাষাৰ কৈ দৰ্জী কাৰখানা পালেগৈ ।



ৰঙা, নীলা, হালধীয়া, সেউজীয়া, মুগা
আদি নানা বৰণৰ কাপোৰ জোৰা লগাই
এইবাৰ দৰ্জীয়ে আগতকৈ ডাঙৰ আৰু ধুনীয়া
গৰম চোলা এটা চিলাবলৈ আৰম্ভ কৰিলে;
কিন্তু– এইবাৰ আগতকৈ ডাঙৰকৈ চিলাবলগীয়া
হোৱাহেতুকে সময় দুদিনমান বেচি লাগিল;
হলেও চোলাটো দেখিবলৈ খুব ধুনীয়া হ'ল ।

দৰ্জীয়ে গৰম চোলাটো বৰ হেঁপাহেৰে জোনবাইক দিলেগৈ; কিন্তু– ইতিমধ্যে জোনবাই আকৌ আধা হৈ পৰিল আৰু চোলাটো তেওঁতকৈ বহুত ডাঙৰ হ'ল ।

জোনবায়ে ভুৰভুৰাবলৈ ধৰিলে– "এই সোলোক-ঢোলোক চোলাটোৱে মোক ঠাণ্ডাৰ পৰা কেনেকৈ বচাব !"

"মই কেনেকৈ জানিম ?" –দৰ্জীয়ে খঙেৰে উত্তৰ দিলে ।

'সৰ্বোত্তম দৰ্জী' বুলি ইমানদিনে পাই থকা খ্যাতি নিমিষতে যেন চূৰমাৰ হৈ গ'ল !

দূৰ্ভগীয়া দৰ্জীয়ে তেতিয়াৰে পৰাই জোনবাইক দেখিলেই দাঁত কৰচে ।

নিৰূপমা ৰাঘৱনৰ মূল
ৰুচ দেশৰ সাধুকথা

© Katha Jharna 2008
Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogoi
Artist S. P. Raju

যাদু লগা আম

বহুদিনৰ আগৰ কথা; এখন হাবিত এজোপা বৰ ডাঙৰ আমগছ আছিল; তাৰে একেবাৰে ওপৰৰ ডালত এটা পঁকা আম আছিল; সেইটো কিন্তু এটা সাধাৰণ আম নাছিল; সেয়া আছিল যাদু লগা আম ।

এদিন বৰ জোৰেৰে বতাহ আহিল; বতাহে আমজোপা বাৰুকৈয়ে লৰাই দিলে; পঁকা আমটো মাটিত থপককৈ সৰি পৰিল; ভাগ্য ভাল- আমটোৰে বেচি দুখ নাপালে আৰু ঘাও নালগিল ।



ওপৰৰ পৰা আহি মাটিত পৰিল যদিও– এতিয়া অন্ততঃ গছতে ওলমি নাথাকি ফুৰিবলৈ পাব বুলি ভাবি আমটোৰ খুব আনন্দ লগিল; বাগৰি বাগৰি আমটো কাষৰ গাঁওখনৰ ফালে যাবলৈ ধৰিলে; বাটত প্ৰথমেই এজনী ছাগলীয়ে লগ পাই ক'লে– "আৰে ! ৰ'বা ৰ'বা; তোমাক মোৰ খাবলৈ মন গৈছে ।"

যাদু লগা আমে হাঁহি হাঁহি সুৰ লগাই গালে–

"আম হ'লোঁ মই যাদু লগা জানা
পৃথিৱীখন ঘূৰিম পুৱা–সন্ধিয়া;
মোক পিচে খাবলৈ নাপাবা যে তুমি
এই কথাটিকে বাৰু থোৱাঁচোন জানি ।"

বাগৰি বাগৰি আমটো আগুৱাই গৈ থাকিল; পিছে পিছে ছাগলীজনীও দৌৰি থকিল ।

এইবাৰ আমটো দেখা পালে চিলা উৰুৱাই থকা ল'ৰা এটাই; তেৱোঁ আমক ক'লে– "আৰে ! ৰ'বা ৰ'বা; তোমাক মোৰ খাবলৈ মন গৈছে ।"

আমে ল'ৰাটোকো হাঁহি হাঁহি গাই শুনালে–

"আম হ'লোঁ মই যাদু লগা জানা
পৃথিৱীখন ঘূৰিম পুৱা–সন্ধিয়া;
মোক পিচে খাবলৈ নাপাবা যে তুমি
এই কথাটিকে বাৰু থোৱাঁচোন জানি ।"

আম বাগৰি বাগৰি আগুৱাই গৈ থাকিল; পিছে পিছে ছাগলী আৰু ল'ৰাটোও দৌৰি থাকিল ।

এইবাৰ আম সোমালগৈ এখন বাগিছাত; তাত কিছুমান ছোৱালী খেলি আছিল; আমটো দেখি তাইঁতো চিঞৰি উঠিল–
"আৰে ! ৰ'বা ৰ'বা; তোমাক আমাৰ খাবলৈ মন গৈছে ।"

আমে পিচে বাগৰ মাৰি মাৰি আগুৱাই গৈ থাকিয়েই গালে–

"আম হ'লোঁ মই যাদু লগা জানা
পৃথিৱীখন ঘূৰিম পুৱা–সন্ধিয়া;
মোক পিচে খাবলৈ নাপাবা ছোৱালী–
এই কথাটিকে থোৱাঁচোন সৱে জানি ।"



ছাগলীজনী, ল'ৰাটো আৰু ছোৱালী কেইজনী আমটোৰ পিছে পিছে দৌৰি থাকিল যদিও কোনেও তাক ধৰিব নোৱাৰিলে ।

অৱশ্যে তেতিয়ালৈ আমটোৰ দৌৰি-বাগৰি ভাগৰ লাগিছিল; সেয়ে সি ঘন, ওখ ঘাঁহৰ মাজত সোমাই লুকাই দিলে; কিছু সময় বিচাৰিও আমটো নাপাই সকলো উভতি গ'ল ।

আমটোৰ খুব ভাগৰ লগাত সি ঘাঁহৰ মাজতে আৰামেৰে টোপনি গ'ল; আৰাম পোৱাত আৰু একো আমনি নথকাত আমটোৱে কইবা মাহো বাৰুকৈয়ে টোপনি মাৰিলে ।

এদিন হঠাতে আমৰ টোপনি ভাগিল; ৰ'দৰ কোমল তাপত তাৰ গাটো ভাল লাগি গ'ল !

পিচে- সি নিজকে বেলেগ বেলেগ অনুভৱ কৰিবলৈ ধৰিলে; লাহে লাহে তাৰ গাৰ পৰা এটা গজালি ওলাই আহিল ।

বাঃ, কি সুন্দৰ কথা ! সেই আমটোৰ পৰা ওলোৱা গজালিটো লাহে লাহে ওখ হৈ এজোপা গছ হ'বলৈ ধৰিলে ।

পাপুয়া নিউ গিনি দেশের এক লোক কথা



© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation
Assamese Rosananda Gogoi
Artist Uma Krishnaswamy

চৰাইৰ প্ৰতিদান



অনুপ আৰু অপু দুয়ো ওচৰ চুবুৰীয়া; অনুপ লুভীয়া আৰু হিংসাকুৰীয়া স্বভাৱৰ; অপু কিন্তু দয়ালু; তেওঁ সকলোকে ভাল ব্যৱহাৰ কৰে আৰু সকলোৰে লগত সদায়ে ভদ্ৰভাবে কথা বতৰা পাতে ।

অপুহঁতৰ ঘৰৰ কাষতে থকা ডাঙৰ গছজোপাত এটা চৰাইৰ বাহ আছিল; এদিন সেই বাহটোত খেলি থকা চৰাই পোৱালি দুটাৰে এটা তললৈ সৰি পৰিল আৰু তাৰ ঠেং এটা ভাগি থাকিল; বিষত সি চিঞৰি চঞৰি কান্দিবলৈ ধৰিলে ।

চৰাই পোৱালিটোক তেনে অৱস্থাত দেখি অপুৰ বৰ দুখ লাগিল; আলফুলকৈ তুলি আনি দৰৱ-পাতি লগাই চৰাই পোৱালিটোক মৰম কৰিলে; অলপ পিছত তাক চৰাইৰ বাহটোত তুলি দিলেগৈ ।

কিছুদিনৰ পিছত চৰাই পোৱালিটো ডাঙৰ হৈ উৰিব পৰা হ'ল; সি অপুৰ ওচৰলৈ উৰি আহি ক'লে- "তুমি মোৰ বৰ উপকাৰ কৰিলা দেই; এই গোমধানৰ গুটিটো মোৰ ফালৰ পৰা তোমালৈ মৰমৰ উপহাৰ স্বৰূপে দিছোঁ; এইটো তোমাৰ বাৰীত ৰুই দিবা দেই ।"

কথাকেইটা কৈয়েই ধুনীয়াকৈ হাঁহি এটা মাৰি চৰাইটো উৰি গুচি গ'ল ।

চৰাইটোৱে কোৱামতেই অপুৱে গোমধানৰ গুটিটো বাৰীত ৰুই দিলে আৰু নিয়মীয়াকৈ সাৰ-পানী দি যত্ন ল'বলৈ ধৰিলে; এদিন তাৰ পৰা এটা ধুনীয়া পুলি ওলাল আৰু সুন্দৰকৈ বাঢ়িবলৈ ধৰিলে ।

চাওঁতে চাওঁতে এদিন গোমধান লাগিল আৰু লাহে লাহে পুৰঠ হৈ ছিঙিব পৰা হ'ল; অপুৱে আনন্দ মনেৰে গোমধান ছিঙিলে; কিন্তু- কি আচৰিত !

গোমধানৰ বাকলি আঁতৰাই অপুৱে দেখিলে- গুটিবোৰ দেখোন তিৰবিৰাই আছে !

অপুৰ বাৰীৰ গোমাধানটোৰ গুটিবোৰ আচলতে এটুকুৰা এটুকুৰা মূল্যবান হীৰা হে আছিল; অপুৱে সেই হীৰাৰ টুকুৰাবোৰ বেচি দি বহুত টকা পালে আৰু তেওঁ ধনী হৈ গ'ল ।

এইবোৰ দেখি অনুপৰ মনত সন্দেহ উপজিবলৈ ধৰিলে; ৰ'ব নোৱাৰি অপুহঁতৰ ঘৰলৈ আহি কথাটো জনিব খুজিলে; অপুৱেও আনন্দ মনেৰে সকলো কথা মুকলিকৈ ভাঙি-পাতি অনুপক ক'লে ।

অনুপৰো মনটো ধনী হোৱাৰ লালসাত উচপিচাবলৈ ধৰিলে; সেয়ে তেওঁ ঘৰৰ কাষৰে গছ এজোপাত চৰাইৰ বাহ বিচাৰিবলৈ ধৰিলে; বিচৰামতেই এটা চৰাইৰ বাহ অনুপে গছজোপাত দেখা পালে; অকণো সময় নষ্ট নকৰি অনুপে ডাঁৰিকী এদালেৰে চৰাইৰ বাহটো খোঁচ মাৰি জোৰকৈ লৰাই দিলে; তাত থকা চৰাই পোৱালি এটা তললৈ সৰি পৰিল আৰু ঠেং এটা ভাগি থাকিল ।

অনুপে বিচৰামতেই ঘটনাটো ঘটিল; অনুপে পোৱালি চৰাইটোৰ ঠেংত দৰব লগাই বাহত তুলি থ'লে ।

কিছুদিনৰ পিছত চৰাই পোৱালিটো ডাঙৰ হৈ উৰিব পৰা হ'ল; সি উৰি আহিয়েই অনুপক গোমধানৰ গুটি এটা দি ক'লে- "এই গোমধানৰ গুটিটো তোমাৰ বাৰীত ৰুই থ'বা আৰু কি হয় চাবা দেই ।"

কথাকেইটা কৈয়েই চৰাইটো ভুৰুংকৈ উৰি গুচি গ'ল ।

গুটিৰ পৰা সোনকালেই পুলি ওলাল আৰু সোনকালেই ডাঙৰো হ'ল; অনুপে গোমাধানৰ ফচল হোৱালৈ আৰু ছিঙিবলৈ উৎকন্ঠাৰে বাট চাই থাকিল ।

অধৈৰ্য্য হৈ অনুপ এদিন বাৰীৰ গোমধানজোপাৰ ওচৰ পালেগৈ; আচৰিত কথা- তেতিয়া তাত গোমধানৰ গছজোপাৰ ঠাইত এটা ভয়ানক ৰাক্ষসহে ৰৈ আছিল; অনুপে ভয়তে চিঞৰি পলাবলৈ ধৰিলে; ৰাক্ষসটোৱেও অনুপক পিছে পিছে খেদি গৈ তেওঁৰ ঘৰত সোমালগৈ; ঘৰত সোমায়েই ৰাক্ষসে সকলো বস্তু লণ্ডভণ্ড কৰি মূল্যবান ধন-সোণবোৰ টপোলা বান্ধি লৈ গুচি গ'ল ।

বেচেৰা অনুপ ! ঘৰৰ এচুকত ভয়তে কঁপি কঁপি পৰি থাকিল । বেচাৰা শেৰিন !

তিব্বতৰ সাধুকথা

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation
Assamese Rosananda Gogoi
Artist Uma Krishnaswamy

অনন্য বাবলু



বাবলুৱে ছুটি পালেই পেহীয়েকৰ ঘৰলৈ যায়; উভতিবৰ সময়ত পেহীয়েকে বাবলুৰ মাকলৈ তাৰ হাতত কিবা নহয় কিবা এটা দি পঠিয়ায় ।

এদিন পেহীয়েকে বাবলুৰ হাতত এটুকুৰা কে'ক মাকলৈ বুলি দিলে; বাবলুৱে কে'কটুকুৰা হাতেৰে খামুচি ধৰি লৈ আহিল; পিচে- কে'কটুকুৰা মাকৰ হাতত নপৰিলহি; হাতেৰে খামুচি অনাত কে'কটুকুৰা ভাগি-ছিগি বাটতে পৰি থাকিল ।

ঘৰলৈ আহি মাকক কথাটো কোৱাত মাকে তেওঁক বুজালে- "কে'ক তেনেকৈ নানেনহয়; পাত এখনেৰে মেৰিয়াই তুমি পিন্ধা টুপীটোতে ভৰাই লৈ আহিব লগিছিল; তেতিয়া কে'কটুকুৰা ঠিকে ঠিকে আহি ঘৰ পালেহিহেতেন !"

পিছৰ সপ্তাহৰ ছুটিত বাবলু পেহীয়েকৰ ঘৰলৈ যাওঁতে পেহীয়েকে মাকলৈ অলপ মাখন দিলে; আগৰ সপ্তাহত মাকে শিকোৱা কথাখিনি বাবলুৱে মনত পেলাই মাখনখিনি পাত এখিলাৰে মেৰিয়াই পিন্ধি যোৱা টুপীৰ ভিতৰত ভৰাই ঘৰলৈ উভতিল; পিচে- সেইদিনা বৰ গৰম আছিল বাবে টুপীৰ ভিতৰত ভৰাই অনা মাখনখিনি গলি বাবুলৰ গায়েদি বৈ বৈ শেষ হৈ গ'ল ।

মাকে তাৰ অৱস্থা দেখি কৈ উঠিল– "হে ভগবান, মাখননো এনেকৈ আনে নে ! ঠাণ্ডা পানীৰ মাজত ভৰাই আনিব লাগিছিল !" বাবলুৰ বৰ দুখ লাগিল ।

পিছৰ সপ্তাহত পেহীয়েকে বাবলুক এটা কুকুৰ পোৱালি ঘৰলৈ দি পঠিয়ালে; বাবলুৱেও পুনৰ মাকে আগৰ সপ্তাহত কোৱা কথাখিনি মনত পেলাই এটা গামলাত ঠাণ্ডা পানী ঢালি তাতে কুকুৰ পোৱালিটো ভৰাই লৈ আহিল ।

বাবলু আহি ঘৰ পোৱাত মাকে আচৰিত হৈ ক'লে– "হে হৰি, চোৱাচোন কুকুৰ পোৱালিটোৰ কি অৱস্থা কৰি আনিছে ! তুমি ৰছী এডালৰ এটা মূৰ ইয়াৰ ডিঙিত বান্ধি আনটো মূৰ হাতেৰে ধৰি লগতে খোজ কঢ়াই আনিব লাগিছিল ।"

কিছুদিনৰ পিছত বাবলু আকৌ পেহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গ'ল; ঘৰলৈ উভতিবৰ সময়ত বাবলুক ঘৰলৈ বুলি পেহীয়েকে এটা ডাঙৰ পাওৰুটি দিলে; পেহীয়েকৰ ঘৰৰ পৰা ওলাই বাবলুৱে বাটত এডাল ৰছীৰ এটা মূৰেৰে পাওৰুটিটো বান্ধি ল'লে; এইবাৰ ৰছীৰ আনটো মূৰ হাতেৰে ধৰি পাওৰুটিটো চোঁচৰাই চোঁচৰাই ঘৰলৈ লৈ আহিল; বাবলুৰ এই কাণ্ড দেখি মাকে বিচুৰ্তি খাই মূৰে–কপালে হাত দি বহি পৰিল ।

পিছৰ সপ্তাহত মাকে বাবলুক ক'লে– "আজি মই তোমাৰ পেহীৰ ঘৰলৈ যাওঁ, তুমি ঘৰতে থাকাঁ; চোতালত পাপৰ শুকাবলৈ মেলি থৈছোঁ; সেইবোৰ চাই সাৱধানে খোজ কাঢ়িবা ।"

মাক ওলাই যোৱাৰ পিছত বাবলু আহি বহু সময় পাপৰবোৰলৈ চাই ৰ'ল; তাৰ পিছত খুব সাৱধানে, লাহে লাহে এখন এখনকৈ পাপৰৰ ওপৰত ভৰি দি দি খোজ কাঢ়িবলৈ ধৰিলে ।

পেহীয়েকৰ ঘৰৰ পৰা বাবলুৰ মাক উভতি অহালৈকে পাপৰখিনিৰ অৱস্থাটো কেনে হৈছিল নিশ্চয় অনুমান কৰিব পাৰিছাই নহয়নে বাৰু !

ইউৰোপৰ সাধুকথা

© Katha Jharna 2008

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

Assamese Rosananda Gogoi

L. S. Saraswathi S. Rajalakshmi

Artist S. P. Raju

টুনটুনি

এদিন এজনী টুনটুনি চৰায়ে বগৰী গছত পৰি বগৰী খাই আছিল; কিন্তু ভুলতে তাইৰ মুখত এটা বগৰী গছৰ কাঁইট সোমাই ডিঙিত লাগি ধৰিল; তাই বিষত ৰ'ব নোৱাৰি উৰি গৈ এজন নাপিতৰ কাষ পালেগৈ আৰু ক'লে– "নাপিত ককাই, নাপিত ককাই, মই বৰ বিপদত পৰিছোঁ ! কাঁইটটো উলিয়াই মোক ৰক্ষা কৰাঁ !"

নাপিতজনে দাংকোপ মাৰি ক'লে– "যা, যা; মই হ'লোঁ ৰজাৰ নাপিত; মই তোৰ ডিঙিৰ কাঁইট কিয় উলিয়াম !"

টুনটুনিৰ খুব খং উঠিল; ক'লে– "ঠিক আছে; ময়ো তোমাক শিক্ষা দিম ।"

এইবাৰ টুনটুনি গৈ ৰজাৰ ওচৰ পালগৈ; ৰজাক টুনটুনিয়ে বিনম্ৰ ভাবে অভিযোগ দি ক'লে– "মহাৰাজ ! মই বিপদত পৰি আপোনাৰ নাপিতজনৰ সহায় বিচাৰিছিলোঁ; কিন্তু তেওঁ সহায় নকৰিলে; আপুনি ইয়াৰ এটা উচিত বিচাৰ কৰি তেওঁক দণ্ড বিহক !" সেই অকণমানি চৰাইজনীৰ কথা শুনি ৰজাৰ হাঁহি উঠি গ'ল আৰু খুব হাঁহিবলৈ ধৰিলে ।

উপায়হীন হৈ টুনটুনি উৰি গৈ নিগনিৰ কাষ পালেগৈ; নিগনিক টুনটুনিয়ে ক'লে– "মই বৰ বিপদত পৰি নাপিতৰ সহায় বিচাৰিলোঁ; তেওঁ মোক সহায় নকৰিলে; ৰজায়ো তেওঁৰ বিচাৰ নকৰিলে; ৰজা শুই থাকোতে তুমি গৈ পেটত কুটি থৈ আহিবাগৈ দেই ।" নিগনিয়ে নাকটো উজাই উজাই ক'লে– "মোৰ দ্বাৰা এই কাম নহ'ব দেই ।"

টুনটুনি খণ্ডত গৈ মেকুৰীৰ ওচৰ চাপিল; ক'লে– "মেকুৰী মাহী, মেকুৰী মাহী ! মই বৰ সমস্যাত পৰিছোঁ; নিগনিয়ে ৰজাক কুটিব নোৱাৰে হেনো; তুমি গৈ নিগনিটোক ধৰি খাই পেলোৱাঁচোন !" মেকুৰীয়ে উত্তৰ দিলে– "মোৰ বৰ টোপনি ধৰিছে; মই এতিয়া নিগনিক ধৰিবগৈ নোৱাৰোঁ ।"

ভুৰুংকৈ উৰি গৈ টুনটুনি এছাৰিৰ ওচৰ পালেগৈ; "এছাৰি অ', অ' এছাৰি ! মই বৰ সমস্যাত পৰিছোঁ; মেকুৰীয়ে নিগনি নধৰে; তুমি গৈ মেকুৰীক ভালকৈ এপিটন দিয়াঁগৈচোন !" এছাৰিয়ে উত্তৰ দিলে– "মই মেকুৰীক কিয় পিটিম ? মেকুৰীয়েতো মোৰ একো অনিষ্ট কৰা নাই !“

উপায়হীন টুনটুনি উৰি গৈ জুইৰ ওচৰ পালেগৈ; অভিযোগ দি ক'লে– "হে অগ্নিদেৱতা ! মই বৰ সমস্যাত পৰিছোঁ; এছাৰিয়ে মেকুৰীক নিপিটে; তুমি এছাৰিক পুৰি শেষ কৰাঁচোন !" জুইয়ে ক'লে– "আজি দিনটোত মই বহুত বস্তু পুৰিলোঁ; এতিয়া মই বৰ ভাগৰুৱা; মোক ক্ষমা কৰিবা !"

টুনটুনিৰ খং বাঢ়ি গ'ল; এইবাৰ উৰি গৈ নদীক ক'লেগৈ- "হে নদী ! জুয়ে এছাৰিক নুপুৰে; তুমি জুইক চিৰদিনৰ বাবে নুমুৱাই পেলোৱাঁচোন !" একোকে নকৈ নদী আগৰদৰেই নিৰৱে বৈ গৈ থাকিল ।

এইবাৰ টুনটুনি গৈ হাতীৰ কাষ চাপি ক'লে- "হে শক্তিমন্ত হাতী ! মই বৰ সমস্যাত পৰিছোঁ ! নদীয়ে জুইক নুনুমৱায়; তুমি নদীৰ সমস্ত পানী শুঁৰেৰে পান কৰি নদীক নোহোৱা কৰি দিয়াঁচোন !" হাতীয়ে উত্তৰ দিলে- "নদীৰ ইমানসোপা পানী সোমালেচোন মোৰ পেটটো ফুটিয়েই থাকিব ।"

নিৰাশ হৈ টুনটুনি গৈ মহৰ কাষ চাপি ক'লে- "মহ, অ' মহ ! মই বৰ সমস্যাত পৰিছোঁ; হাতীয়ে নদীৰ পানী পান নকৰে; যোৱাঁচোন হাতীৰ প্ৰকাণ্ড শৰীৰটোত ভালকৈ কামোৰ দিয়াগৈ !"

মহ কিন্তু একে আষাৰতে মান্তি হ'ল; ৰাজ্যৰ সকলো মহ একগোট হ'ল আৰু হাতীক ঘেৰি ধৰিলেগৈ; হাতী বিবুদ্ধিত পৰিল ।

"মই নদীৰ সমস্ত পানী শুঁৰেৰে পান কৰিম !" -হাতীয়ে ভয়তে ক'লে ।

"মই জুই নুমুৱাই শেষ কৰি দিম !" -নদীয়ে ভয়তে ক'লে ।





"মই এছাৰিক পুৰি পেলাম !" –জুয়ে ভয়তে ক'লে ।

"মই মেকুৰীক পিটি পিটি মাৰি পেলাম !" –এছাৰিয়ে ভয়তে ক'লে ।

"মই নিগনিক ধৰি খাই থ'ম !" –মেকুৰীয়ে ভয়তে ক'লে ।

"মই ৰজাৰ পেটট কুটি বেয়াকৈ ঘা লগাই দিম !" –নিগনিয়ে ভয়তে ক'লে ।

"মই বিচাৰ কৰি নাপিতক নিশ্চয়কৈ কঠোৰ দণ্ড বিহিম !" –ৰজাই ভয়তে ক'লে ।

এইবাৰ নাপিতেও খুব ভয় খালে; ৰজাক তুতি–মিনতি কৰি তেওঁ অতি মৰমেৰে টুনটুনিৰ ডিঙিৰ কাঁইটটো উলিয়াই দিলে । অৱশেষত টুনটুনিৰ জয় হ'ল আৰু ডিঙিৰ প্ৰচণ্ড বিষৰ পৰা উপশম পালে ।

বাঙালী সাধুকথা

© **Katha Jharna 2008**

Publisher Rajalakshmi Srinivasan Memorial Foundation

P. Saraswati V. Vijayakanthi

L. S. Saraswathi S. Rajalakshmi

Assamese Rosananda Gogai

Artist Uma Krishnaswamy

বন্ধুৰে চিনাকি হোৱাঁ

এখন হাবিত থকা এটা কেৰ্কেটুৱা আৰু শহাৰ মাজত ভাল বন্ধুত্ব আছিল; কেৰ্কেটুৱা বৰ কথকী আছিল; সকলো বিষয়ৰে আঁতিগুৰি জানিবলৈ অনবৰতে আগ্ৰহী হৈ থাকে; আনহাতে শহা মনে মনে থকা স্বভাৱৰ আছিল আৰু তেওঁ কোনো প্ৰশ্নৰে উত্তৰ পোনে পোনে নিদিছিল ।

এদিন পুৱাতে–

কেৰ্কেটুৱা:– আৰে, ৰ'বাচোন ৰ'বা; এই পুৱাতেনো গান গাই গাই কোনফালে যোৱাঁ ?

শহা:– মোৰ নতুন বন্ধুৰ সৈতে খেলিবলৈ যাওঁ ।

কেৰ্কেটুৱা:– তোমাৰ নতুন বন্ধু কোননো ?

শহা:– আছে আৰু এজন চাৰিঠেঙীয়া; নিজেই অনুমান কৰি লোৱাঁ ।

কেৰ্কেটুৱা:- আৰে, আমি দেখোন সকলোৱেই চাৰিঠেঙীয়া !

অ', বুজিলোঁ; মোক ক'বলৈ টান পাইছা ন ! ঠিক আছে, মই নিজেই

উলিয়াই ল'ম; তেওঁ বাৰু আকাৰত বহুত ডাঙৰ নেকি ?

শহা:- অঁ ।

কেৰ্কেটুৱা:- তুমি হাতীক লগ পাবলৈ গৈ আছা, ন;
তেৱেঁইতো আকাৰত আটাইতকৈ ডাঙৰ !

শহা:- একেবাৰেই নহয়; মোৰ বন্ধুজনৰ শুঁৰ নাই ।

কেৰ্কেটুৱা:- তেতিয়াহলে গঁড় হ'য়, ন; তেওঁৰতো শুঁৰ নাই ।

শহা:- নহয়, নহয়; মোৰ বন্ধুজনৰ শিঙো নাই ।

কেৰ্কেটুৱা:- অ', তেতিয়াহলে সেয়া উটেই হ'ব; তেৱোঁতো চাৰিঠেঙীয়া; শুঁৰ নাই; শিঙো নাই !

শহা:- নাই, নহয়; মোৰ বন্ধুৰ পিঠিত উটৰ দৰে কুঁজ নাই ।

কেৰ্কেটুৱা:- তেনেহলে- জেব্ৰাই তোমাৰ বন্ধু নহয়তো ?

শহা:- মোৰ বন্ধুৰ শৰীৰত জেব্ৰৰ দৰে আঁচো নাই ।

কেৰ্কেটুৱা:- তাৰমানে- ভালুকেই তোমাৰ বন্ধু; তেওঁৰো শৰীৰত আঁচ নাই; পিঠিত কুঁজ নাই; শিং নাই; শুঁৰো নাই !

শহা:- নহয় অ' ! মোৰ বন্ধুৰ শৰীৰত ভালুকৰ দৰে দীঘল নোমো নাই ।

কেৰ্কেটুৱা:- এস ! হয় নেকি; অ' ৰ'বা, ৰ'বা ! তোমাৰ বন্ধুৰ শৰীৰত কেনেবাকৈ

দাগ আছে নেকি বাৰু ?

শহা:- হয়; আছে ।

কেৰ্কেটুৱা:- অ' ! তুমি তাৰমানে নাহৰফুটুকীৰ সৈতে খেলিবলৈ গৈ আছা, ন ?

শহা:- আই ঔ ! নহয় দেই; সি তো মোক পালে খায়েই পেলাব ! মোৰ বন্ধুজনৰ নখ লগা হাতোৰাও নাই ।





কেৰ্কেটুৱা:- এতিয়াহে বুজি পালোঁ; তুমি তাৰমানে হৰিণাৰ ওচৰলৈ গৈ আছা !

শহা:- নহয়; আচ্ছা ঠিক আছে, ময়েই কৈ দিওঁ; তেওঁৰ ডিঙিটো দীঘল ।

কেৰ্কেটুৱা:- অ', গম পাই গ'লোঁ; তুমি জিৰাফৰ কথা কৈছা !

শহা:- এই কথাটোকে বুজিবলৈ তুমি ইমান দেৰি লগাই দিলা !

ঠিক আছে মোৰ লগত ব'লা; আমি দুয়ো নতুন বন্ধু জিৰাফৰ পিঠিত উঠি লৈ আজি গোটেই হাবিখন ফুৰিম ।

© Katha Jharna 2008

P. Saraswati V. Vijayakanthi
L. S. Saraswathi S. Rajalakshmi

Publisher Rajalakshmi Srinivasan Memorial Foundation
Assamese Rosananda Gogai
Artist Uma Krishnaswamy